# অধ্যায় - ২২

# ৰাসায়নিক যোগসূত্ৰ আৰু একত্ৰীকৰণ

---

**পঞ্চম গোট**

## অনুশীলনীৰ প্ৰশ্নোত্তৰ :-

প্ৰশ্ন ১: তলত দিয়াবোৰৰ সংজ্ঞা লিখা —

প্ৰশ্ন : (ক) বহিঃস্ৰাৱী গ্ৰন্থি

উত্তৰ :- নলীযুক্ত হৰমʼন গ্ৰন্থিবোৰক বহিঃস্ৰাৱী গ্ৰন্থি বোলে ।উদাহৰণ স্বৰূপে লালটি গ্ৰন্থি , যকৃত গ্ৰন্থি , ধৰ্ম গ্ৰন্থি আদিত প্ৰস্তুত হোৱা ৰস নলীয়েদি ওলাই ক্ৰিয়া স্থানলৈ যায় কাৰণে এনেবোৰ গ্ৰন্থিক বহিঃস্ৰাৱী গ্ৰন্থি বোলে ।

প্ৰশ্ন : (খ) অন্তঃস্ৰাৱী গ্ৰন্থি

উত্তৰ :- চমুকৈ নলীহীন হৰমʼন গ্ৰন্থিবোৰক অন্তঃস্ৰাৱী গ্ৰন্থি বোলে । অৰ্থাৎ হৰমʼন ক্ষৰণ কৰা কোষপুঞ্জবোৰকে অন্তঃস্ৰাৱী গ্ৰন্থি বোলে । যেনে — পিটুইটাৰী , গ্ৰন্থি থাইৰʼইড গ্ৰন্থি ইত্যাদি ।

প্ৰশ্ন : (গ) হৰমʼন

উত্তৰ :- হৰমʼন হৈছে শৰীৰৰ একক কোষ বা একোটা কোষপুঞ্জই দেহৰসলৈ ক্ষৰণ কৰা এনে এবিধ ৰাসায়নিক দ্ৰব্য , যি শৰীৰৰ আন আন ঠাইত থকা কোষ - কলা কেতবোৰৰ বিপাকীয় ক্ৰিয়াৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে ।

যেনে — ষ্টেৰয়েড হৰম'ন , পেপটাইড হৰম'ন , গ্লাইক'প্ৰটিন হৰম'ন থাইৰ'ক্সিন হৰম'ন ইত্যাদি ।

প্ৰশ্ন ২: খালী ঠাই পূৰ কৰা :

(ক) হাইপ'থেলামিক হৰম'ন ------ ।

উত্তৰ :- হাইপ'থেলামাছ্ ।

(খ) থাইৰট্ৰপিন ------ ।

উত্তৰ :- পিটুইটাৰী গ্ৰন্থি ।

(গ) কৰ্টিকট্ৰপিন ------ ।

উত্তৰ :- পিটুইটাৰী গ্ৰন্থি ।

(ঘ) গোনাড'ট্ৰপিন (GTH) ------ ।


উত্তৰ :- পিটুইটাৰী গ্ৰন্থি ।

(ঙ) মে'লান'ট্ৰফিন (MSH) ------ ।

উত্তৰ :- পিটুইটাৰী গ্ৰন্থি ।

প্ৰশ্ন ৩: চিত্ৰৰ সহায়ত আমাৰ দেহত থকা বিভিন্ন অন্তঃস্ৰাৱী গ্ৰন্থিবোৰৰ অৱস্থিতি দেখুওৱা ।

উত্তৰ :-




চিত্ৰ ঃ অন্তঃস্ৰাৱী গ্ৰন্থিৰ অৱস্থান

প্ৰশ্ন ৪: তলত দিয়া হৰম'শবোৰৰ কাৰ্য্য চমুকৈ লিখা :

প্ৰশ্ন (ক) পেৰাথাইৰ'ইড হৰম'ন ।

উত্তৰ :- (১) পেৰাথাইৰইড হৰম'ন পাচন নলীত কেলছিয়ামৰ শোষন বঢ়াই তোলে আৰু ফছফেটৰ পৰিমাণ হ্ৰাস কৰে ।

(২) হাড়ৰ পৰা কেলছিয়াম আৰু ফছফেট অৱশোষন কৰে ।

(৩) বৃক্কৰদ্বাৰা মূত্ৰত কেলছিয়ামৰ পৰিমান হ্ৰাস কৰে আৰু ফছফেটৰ পৰিমাণ বৃদ্ধি কৰে ইত্যাদি ।

প্ৰশ্ন (খ) থাইৰইড হৰম'ন ।

উত্তৰ :- (১) শৰীৰৰ সকলোবোৰ কলাৰ বিপাকীয় ক্ৰিয়া গতি বৃদ্ধি কৰে ।

(২) লোহিত ৰক্ত কণিকা পৰিণত হোৱাত সহায় কৰে ।

(৩) দেহৰ ৰক্তচাপ , হৃদযন্ত্ৰৰ স্পণ্ডন হাৰ আৰু শ্বসনৰ হাৰ নিয়ন্ত্ৰণ কৰে ।

প্ৰশ্ন (গ) এন্দ্ৰজেন ।

উত্তৰ :- (১) ই পুৰুষৰ গৌণ যৌন লক্ষণবোৰৰ প্ৰকাশ ঘটায় ।

(২) পুৰুষৰ পেশীসমূহ শক্তিবহুল আৰু মাত গলগলীয়া কৰে ।

(৩) যৌনৰোম আৰু যৌনৰস সমূহৰ সৃষ্টিত অৰিহণা যোগায় ।

প্ৰশ্ন (ঘ) ইষ্ট্ৰ'জেন ।

উত্তৰ :- (১) ইষ্ট্ৰ'জেনে স্ত্ৰী প্ৰাণীৰ গৌণ চৰিত্ৰসমূহ প্ৰকাশ পোৱাত প্ৰভাৱ বিস্তাৰ কৰে ।

(২) ইষ্ট্ৰ'জেনৰ বাবে স্তনত দুগ্ধথলীৰ বৃদ্ধি হয় আৰু মেদকলা গঠনৰ ফলত স্তন বৃদ্ধি আৰু সুগঠিত হয় ।

(৩) ইষ্ট্ৰ'জেনে ডিম্বাশয়ৰ ডিম্বাণু নিঃসৰণ ঘটায় । ইয়াৰ উপৰিও এই হৰম'নে স্ত্ৰীৰ ঋতুচক্ৰ নিয়ন্ত্ৰণ কৰে ইত্যাদি ।

প্ৰশ্ন (ঙ) ইনচুলিন আৰু গ্লুকাগন ।

উত্তৰ :- (১) শৰীৰত গ্লুক'জৰ পৰিমাণ নিয়ন্ত্ৰণ কৰে ।

প্ৰশ্ন ৫: কি হৰম'নৰ অভাৱৰ বাবে তলত দিয়া বেমাৰ বোৰ হয় ?

(ক) ডায়েবেটিছ মেলিটাছ

উত্তৰ :- ইনচুলিন ।

(খ) গলগণ্ড

উত্তৰ :- থাইৰইড হৰম'ন ।

(গ) ক্ৰিটিনিজম

উত্তৰ :- থাইৰইড হৰম'ন ।

প্ৰশ্ন ৬: FSH হৰম'নৰ কাৰ্য্য উল্লেখ কৰা ।

উত্তৰ :- পুৰুষৰ দেহত FSH হৰম'নে শুক্ৰ উৎপাদন কাৰ্য্য নিয়ন্ত্ৰণ কৰে । আনহাতে মহিলাৰ ক্ষেত্ৰত ডিম্বাশয়ত থকা গ্ৰেফিয়ান থলীবোৰৰ সৃষ্টি আৰু বৃদ্ধিত সহায় কৰে ।

প্ৰশ্ন ৭: তলত দিয়াবোৰ মিলাই লিখা :

| | |
|---|---|
| (১) $T_4$ | (১) হাইপ'থেলামাছ |
| (২) PTH | (২) থাইৰইড |
| (৩) GNRH | (৩) পিটুইটাৰী |

(৪) LH (৪) পেৰাথাইৰ'ইড

উত্তৰ :- (১) $T_4$ (২) থাইৰইড

(২) PTH। (৪) পেৰাথাইৰ'ইড

(৩) GNRH (১) হাইপ'থেলামাছ

(৪) LH (৩) পিটুইটাৰী ।